ৰ উক্তি

ধ্যবাধকতাৰ বাবেই
বাদীক আশ্ৰয় দিয়া
হছে।

মন্ত্ৰী জাষ্টিন ট্ৰুডুক উদ্দেশ্যি
দশিক মন্ত্ৰী এছ জয়শংকৰ।


নিৰ্ভীক, নিৰপেক্ষ

# অসমীয়া খবৰ

গুৱাহাটী আৰু যোৰহাটৰ পৰা একে সময়তে প্ৰকাশিত

যোৰহাট সংস্কৰণ ▢ মুঠ পৃষ্ঠা ১২

ন নং ঃ ০৩৭৬ —২৩৭১৯৩৪, ০৩৬১-২৪৭৭২৯১/২ দ্বাদশ বছৰ সংখ্যা ৩১৫ শনিবাৰ ১২ আহিন ১৯৪৫ শক ৩০ ছেপ্টেম্বৰ ২০২৩ চন ASOMIYA KHABAR JORHAT SATURDAY 30 SEPTEMBER




## কানৈ মহাবিদ্যালয়ত ব্যতিক্ৰমী, অভিনৱ কাৰ্যসূচী ‘গ্ৰন্থ-প্ৰেক্ষণ’

ষ্টাফ ৰিপৰ্টাৰ, ডিব্ৰুগড়, ২৯ ছেপ্টেম্বৰ ঃ ৭৮ বছৰ অতিক্ৰম কৰা ডি এইছ এছ কানৈ মহবিদ্যালয়ত বৌদ্ধিক জয়যাত্ৰা গঢ়ি তোলাৰ স্বাৰ্থত শুভাৰম্ভ হয় এক অভিনৱ, ব্যতিক্ৰমী কাৰ্যসূচী ‘গ্ৰন্থ-প্ৰেক্ষণ’। অধ্যাপক-অধ্যাপিকা, কৰ্মচাৰী, ছাত্ৰ-ছাত্ৰীৰ মাজত গ্ৰন্থ অধ্যয়নৰ প্ৰয়োজনীয়তা, গ্ৰন্থ অধ্যয়নৰ পৰিৱেশ সৃষ্টি কৰিবৰ বাবেই মহাবিদ্যালয়খনৰ অশ্বিনীচৰণ চৌধুৰী কেন্দ্ৰীয় গ্ৰন্থাগাৰ আৰু আভ্যন্তৰীণ মান নিৰ্ণায়ক কোষৰ উদ্যোগত এনে মননশীল, চিন্তা উদ্বেগকাৰী, জীৱন-দৰ্শনক চুই যাব পৰা কাৰ্যসূচী শুভাৰম্ভ কৰা হয়। মহাবিদ্যালয়খনৰ গ্ৰন্থাগাৰত ২৮ ছেপ্টেম্বৰৰ বিয়লি অনুষ্ঠিত এই কাৰ্যসূচীত প্ৰথমবাৰৰ বাবে সমল ব্যক্তি হিচাপে মনোনীত কৰে মহাবিদ্যালয়খনৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াক। গ্ৰন্থাগাৰিক ড° পল্লৱী গগৈয়ে আঁতধৰা অনুষ্ঠানৰ উদ্দেশ্য ব্যাখ্যা কৰে অধ্যাপক ড° মৃদুল শৰ্মাই। ড° শৰ্মাই কয়— এনে এটা কাৰ্যসূচী আৰম্ভ কৰি মহাবিদ্যালয়খনে এক ব্যতিক্ৰমী চিন্তা-চৰ্চাৰ বাট মুকলি কৰিলে। প্ৰতিমাহে একো-একোজন শিক্ষাৰ্থী অথবা অধ্যাপকে অধ্যয়ন কৰা এখন প্ৰিয় গ্ৰন্থৰ বিশ্লেষণ আগবঢ়াব এই কাৰ্যসূচীত। ফলত মহাবিদ্যালয়খনৰ পৰিয়ালৰ মাজত গ্ৰন্থ অধ্যয়নৰ পৰিৱেশ, বৌদ্ধিক পৰিৱেশ সৃষ্টিৰ ক্ষেত্ৰত অভূতপূৰ্ব অৰিহণা যোগাব। প্ৰথমটো কাৰ্যসূচীত সমল ব্যক্তি হিচাপে মনোনীত কৰা অধ্যক্ষ ড° শশীকান্ত শইকীয়াই হোমেন বৰগোহাঞিৰ সম্পাদনা আৰু গীতিমালিকা নেওগে সম্পাদনা সহযোগী হিচাপে প্ৰস্তুত কৰা ষ্টুডেণ্ট ষ্টোৰ্চৰ তৰফৰ পৰা অজয় কুমাৰ দত্তই প্ৰকাশ কৰা শেহতীয়া জনপ্ৰিয়, অসমৰ সৰ্বাধিক বিক্ৰী হোৱা গ্ৰন্থ ‘মোৰ জীৱন-দৰ্শন’ নামৰ গ্ৰন্থখনৰ বিষয়ে বিশ্লেষণ আগবঢ়ায়। গ্ৰন্থখনত অসমৰ ২৬ জন বৰেণ্য ব্যক্তিৰ জীৱন-দৰ্শন সন্নিৱিষ্ট কৰা হৈছে। গ্ৰন্থখনত অন্তৰ্ভুক্ত হোৱা প্ৰত্যেকজন ব্যক্তিৰ জীৱন দৰ্শন, জীৱনৰ পোৱা-নোপোৱা, অভিজ্ঞতা অতি সহজ-সৰলভাৱে অধ্যক্ষ ড° শইকীয়াই অধ্যাপক-অধ্যাপিকা আৰু শিক্ষাৰ্থীসকলৰ মাজত ব্যক্ত কৰে। প্ৰখ্যাত লেখক য়েছে দৰজে ঠংচি, ড° নগেন শইকীয়া, নিশিনাথ চাংকাকতি, প্ৰদীপ বৰুৱা, ড° অৱনী কুমাৰ ভাগৱতী, চন্দ্ৰকান্ত দাস, ড° বসন্ত কুমাৰ গোস্বামী, বীৰেন সিংহ, বিজয়া দুৱৰা, বিশ্বদীপ বৰুৱা, ড° মুকুন্দ ৰাজবংশী, ড° মালিনী, ডাঃ নোমল চন্দ্ৰ বৰা, ড° ইৰছাদ আলী, বিমল ফুকন, ডাঃ নৰেশ্বৰ শৰ্মা, শৈলেন্দ্ৰ কুমাৰ নাথ, সমীৰ তাঁতী, মলয়া গোস্বামী, ভাস্কৰজ্যোতি মহন্ত, ময়ূৰ বৰা, পল্লৱী ডেকা বুজৰবৰুৱা, মণিকুন্তলা ভট্টাচাৰ্য, নন্দসিং বৰকলা, কিশোৰ মোহন ভট্টাচাৰ্যৰ উপৰিও অধ্যক্ষগৰাকীৰ নিজৰো জীৱন-দৰ্শন সামৰি লোৱা গ্ৰন্থখনত প্ৰত্যেকজন ব্যক্তিৰ জীৱনৰ সফলতা, বিফলতা, আনন্দ, বিষাদ, জীৱনৰ পৰিক্ৰমা অতি ৰসালভাৱে ব্যাখ্যা আগবঢ়ায়। গ্ৰন্থখন পাঠকে হাতত ল'লে এবাৰ নহয় ততোধিক বাৰ অধ্যয়ন কৰাৰ হেঁপাহ জন্মে বুলি উল্লেখ কৰি অধ্যক্ষগৰাকীয়ে কয়—জীৱনক বুজিবলৈ, জানিবলৈ এই গ্ৰন্থখনে সকলোকে সহায় কৰিব পাৰে। এনে এখন গ্ৰন্থ অধ্যয়ন নকৰিলে জীৱনত বহু কথাই জনাৰ পৰা বঞ্চিত হ'ব। জীৱনত সফল হ'বলৈ কিমান সাধনাৰ প্ৰয়োজন, সৎ আৰু নিষ্ঠা, পৰিশ্ৰমৰ প্ৰয়োজন, সেয়া গ্ৰন্থখনে আঙুলিয়াই দিয়া বুলি তেওঁ উল্লেখ কৰে। গ্ৰন্থ বিশ্লেষণৰ পাছত উপাধ্যক্ষ ড° প্ৰিয়দেৱ গোস্বামী, অৰ্থনীতি বিভাগৰ মুৰব্বী ড° পাৰ্থ গাংগুলী, শৈক্ষিক সমন্বয়ক ড° অনন্ত কুমাৰ দত্ত, অধ্যাপক ড° মৃদুল শৰ্মাকে ধৰি আন বহুকেইগৰাকী অধ্যাপক-অধ্যাপিকাই অধ্যক্ষগৰাকীৰ গ্ৰন্থ বিশ্লেষণত যথেষ্ট আপ্লুত হোৱা বুলি উল্লেখ কৰি এনে কাৰ্যসূচীৰ যোগেদি অনুপ্ৰাণিত হোৱা বুলিও উল্লেখ কৰে। অনুষ্ঠানৰ শেষত অধ্যক্ষগৰাকীক অধ্যাপক-অধ্যাপিকা, কৰ্মচাৰী, শিক্ষাৰ্থীসকলৰ হৈ এখন মানপত্ৰ প্ৰদান কৰে আভ্যন্তৰীণ মান নিৰ্ণায়ক কোষৰ সমন্বয়ক ড° অনুপজ্যোতি ভৰালী আৰু গ্ৰন্থাগাৰিক ড° পল্লৱী গগৈয়ে।